আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

FRIDAY, JANUARY 12, 2024>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ১৮ Guwahati, Assam ।। মূল্যঃ এটকা

## আছে জানো দুৰ্দিন?



এতিয়া ভোগৰ দিন!




ঠাণ্ডা পৰিছে।
বুকুত বিদ্ৰোহৰ একুৰা
জুই লৈ ফুৰক।
ঠাণ্ডা আতৰি যাব।

নীলিম কুমাৰ

# চিনেমা নহয়, বাস্তৱৰ যতীন বৰাৰ নতুন সংলাপ

## ‘ভুল সকলোৰে হয়, মোৰো হৈছিল! ময়োতো এজন মানুহ। এজন আৱেগিক অভিনেতা!’

বিতং বাতৰি ২নং পৃষ্ঠাত

ৰাজপথৰ গুণ্ডাৰ দৰে আচৰণ নকৰিবলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক পৰামৰ্শ অখিল গগৈৰ। কণ-কণ ছাত্ৰ-ছাত্ৰীসকলে মুখ্যমন্ত্ৰীৰ পৰা ডাঙৰক বেয়া ব্যৱহাৰ কৰিবলৈ শিকিব বুলি আশংকা প্ৰকাশ অজাপ নেতা লুৰীণজ্যোতি গগৈৰ।


# ড০ হীৰেন গোহাঁইক লৈ কৰা মুখ্যমন্ত্ৰীৰ তাচ্ছিল্যসূচক মন্তব্যৰ বিৰুদ্ধে ৰাজ্যজুৰি প্ৰতিক্ৰিয়া



বিতং বাতৰি ৩নং পৃষ্ঠাত

# আকৌ বিবেক দংশন! বিজেপি এৰাৰ ইংগিত যতীন বৰাৰ

## ■ ফেচবুকত পুনৰ আৱেগিক পোষ্ট
## ■ মনত বলা বতাহক বা-মাৰলি হ'বলৈ দিবলৈ হেনো নাই মন
## ■ অভিনেতা বাবেই আৱেগিক বুলি দাবী


পুৰাণিক পাহৰো বুলিয়েই কিমান পৰ্যায়লৈ পাহৰাটো সম্ভৱ ? ভাল বেয়া, তিতা মিঠাবোৰ কিমান পৰ্যায়লৈ আওকান কৰাটো সম্ভৱ ? নিজৰ মাজৰ ধুমুহাবোৰক বা-মাৰলি হ'বলৈ এৰি দিয়াটো কিমানখিনি লৈ সম্ভৱ ? আমি মানুহবোৰ যে তেনেই সাধাৰণ. অথচ কিমান সময় লাগে আমাক ভাবি উলিয়াবলৈ যে জীৱন মানেই আৱেগ নে ই এটা অংশহে জীৱনৰ ।হয় মই আৱেগিক কাৰণ মই এজন অভিনেতা। আৱেগ নাথাকিলে মই কেনেকৈ অভিনয় কৰিব পাৰিম ! মই যতীন বৰা আচলতে কলংপাৰৰ যতীন্দ্ৰনাথ বৰা। চেলুলইড, ধাৰাবাহিক,ভ্ৰাম্যমান,ভিচিডি,চলচিত্ৰ আৰু আজিৰ এই গ্লেমাৰ। যতীন্দ্ৰনাথৰ পৰা যতীন হোৱালৈকে বস্তুবোৰ বহুখিনিয়েই সলনি হ'ল। বাৰু যি কি নহওঁক, ভুল সকলোৰে হয়, মোৰো হৈছিলে কাৰণ মইওতো এজন মানুহ লগতে এজন অভিনেতা । এজন

## কলংপাৰৰ 'যতীন্দ্ৰনাথ বৰা'। ক'লে নিজৰ আচল নাম। দিলে প্ৰকৃত পৰিচয়!

**ই-সংবাদ, ১২ জানুৱাৰীঃ** আকৌ বিবেক দংশনত ভুগিছে নেকি যতীন বৰাই! এটা আৱেগিক ফেচবুক পোষ্টৰ পিছতে বিজেপি দলৰ নেতা হিচাপে ৰাজনীতিত সক্ৰিয়তা অব্যাহত ৰখা যতীন বৰাই বিবেক দংশনত ভুগি বিজেপি ত্যাগ কৰি নিজকে সংশোধন কৰাৰ ইংগিত দিয়া বুলি চৰ্চা হৈছে। শেহতীয়াকৈ ৰাজ্যৰ গৰিষ্ঠ সংখ্যক লোকে সমালোচনাৰে থকা-সৰকা কৰিছিল যতীন বৰাক। ২০২৩ চনৰ ২৭ অক্টোবৰত মুক্তি লাভ কৰা যতীন বৰাৰ ছবি 'ৰাঘৰ'ক বয়কট কৰিছিল অসমীয়াই। ফলত চিনেমা হল খালী হৈ পৰিছিল। ব্যাপক লোকচানৰ সন্মুখীন হোৱা যতীন বৰাৰ দুৰ্দশা স্পষ্ট হৈ পৰিছিল। ৰাইজক বাৰে বাৰে চিনেমাখন চাবলৈ অনুৰোধ জনাইছিল। ইপিনে পত্নীয়ে ছবিখন টকাৰ বাবে নিৰ্মাণ কৰা নাছিল বুলি মন্তব্য দিছিল। ছবিখন ফ্লপ হোৱাৰ দীৰ্ঘ সময়ৰ মূৰত যতীন বৰাই আত্মসমালোচনা কৰি নিজকে সংশোধন কৰি আগৰ পথলৈ আনিব খোজাৰ ইংগিত দিছে। ফেচবুকত দিয়া এটা পোষ্টত ৰাজনীতি এৰাৰ আৰু অভিনয় জগতলৈ স্থায়ীভাৱে উভতি অহাৰ ইংগিত প্ৰদান কৰে যতীন বৰাই। নিজকে সংশোধন কৰাৰ ইংগিত দি যতীন বৰাই কয় "পুৰণিক পাহৰো বুলিয়েই কিমান পৰ্যায়লৈ পাহৰাটো সম্ভৱ? ভাল-বেয়া, তিতা-মিঠাবোৰ কিমান পৰ্যায়লৈ আওকান কৰাটো সম্ভৱ? নিজৰ মাজৰ ধুমুহাবোৰক বা-মাৰলি হ'বলৈ এৰি দিয়াটো কিমানখিনিলৈ সম্ভৱ? আমি মানুহবোৰ যে তেনেই সাধাৰণ, অথচ কিমান সময় লাগে আমাক ভাবি উলিয়াবলৈ যে জীৱন মানেই আৱেগ নে ই এটা অংশহে জীৱনৰ। হয়, মই আৱেগিক! কাৰণ মই এজন অভিনেতা। আৱেগ নাথাকিলে মই কেনেকৈ অভিনয় কৰিব পাৰিম! মই যতীন বৰা আচলতে কলংপাৰৰ যতীন্দ্ৰনাথ বৰা। চেলুলয়ড, ধাৰাবাহিক, ভ্ৰাম্যমান, ভিচিডি, চলচিত্ৰ আৰু আজিৰ এই গ্লেমাৰ। যতীন্দ্ৰনাথৰ পৰা যতীন হোৱালৈকে বস্তুবোৰ বহুখিনিয়েই সলনি হ'ল। বাৰু যি কি নহওঁক, ভুল সকলোৰে হয়, মোৰো হৈছিলে। কাৰণ মইয়োতো এজন মানুহ, লগতে এজন অভিনেতা। এজন আৱেগিক অভিনেতা।" উল্লেখ্য যে ১৯৭০ চনৰ ২৫ এপ্ৰিলত কলং পাৰৰ চহৰ নগাঁৱত জন্মগ্ৰহণ কৰা যতীন বৰাই ১৯৮৯ চনত 'উত্তৰকাল' ছবিখনৰ জৰিয়তে অভিনয়ৰ যাত্ৰা আৰম্ভ কৰিছিল। ২০১৪ চনত ভাৰতীয় জনতা পাৰ্টীত যোগদান কৰিছিল যতীন বৰাই। কিন্তু ২০১৯ চনত নাগৰিকত্ব সংশোধনী আইন বিৰোধী প্ৰতিবাদৰ সময়ত লতাশিল খেলপথাৰৰ সমাৱেশত অংশগ্ৰহণ কৰি বিজেপিৰ পৰা পদত্যাগ কৰিছিল যতীন বৰাই। বিজেপিৰ পৰা আঁতৰি বেছিদিন থাকিব নোৱাৰিলে। প্ৰাণৰ ভয়তহে 'কা' আন্দোলন কৰিছিল বুলি মন্তব্য কৰি পুনৰ বিজেপি দললৈ প্ৰত্যাৱৰ্তন ঘটাইছিল। 'কা' আন্দোলনত যোগ দিয়াতো ভুল হৈছে বুলি কৈ পুনৰ বিজেপিত যোগদান কৰি নাগৰিকত্ব সংশোধনী আইন বিৰোধী আন্দোলনক লৈ টুলুঙা মন্তব্য দিবলৈ আৰম্ভ কৰে। 'কা' আন্দোলনৰ শ্বহীদ হোৱা ৫ যুৱকক লৈয়ো অশোভনীয় মন্তব্য দিয়া যতীন বৰাক এসেকা দিবলৈ বৈ আছিল অসমীয়া মানুহ। ছবি 'ৰাঘৱ'ৰ মুক্তিৰ কিছুদিন পূৰ্বৰ পৰা নেটিজেনসকলে সমালোচনাৰে থকা-সৰকা কৰিছিল বৰাক। বয়কট ঘোষণা নকৰাকৈয়ে একপ্ৰকাৰ সমূহ অসমবাসীয়ে ছবিখন বয়কট কৰাত ফ্লপ হৈ পৰে। এনেকৈয়ে 'কা' আন্দোলনৰ সময়ত অসমৰ ৰাইজৰ লগত আছো বুলি কৈ এবছৰ পিছতে আন্দোলনটোক নস্যাৎ কৰি দুমুখীয়া চৰিত্ৰৰ পৰিচয় দিয়া অভিনেতা যতীন বৰাক এসেকা দিয়ে ৰাইজে। পাভলুটি মৰাত বিখ্যাত বৰাই অসমীয়া জাতিক বিশ্বাসঘাতকতা কৰাৰো অভিযোগ উত্থাপন হৈছিল। অৱশেষত আজি পোষ্টটোক লৈ পুনৰ ছ'চিয়েল মিডিয়াত নেটিজেনৰ মাজত চৰ্চিত হৈ পৰিছে অভিনেতাগৰাকী।

# মুখ্যমন্ত্ৰীৰ মন্তব্যক লৈ ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়া

## দল-সংগঠন, নেটিজেনৰ সমালোচনা


**ই-সংবাদ, ১২ জানুৱাৰীঃ** মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই চিন্তাবিদ ডঃ হীৰেন গোহাঁইক 'মাল' বুলি সম্বোধন কৰাত ৰাজ্যত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে৷ বিভিন্ন লোকে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্যক উভতি ধৰি তীব্ৰ সমালোচনা কৰিছে৷ এগৰাকী মুখ্যমন্ত্ৰীৰ মুখত এনে শব্দ ওলোৱাটোৱে চৰম পৰিতাপৰ বিষয় বুলি কৈছে বিভিন্ন জনে৷ ৰাজ্যৰ সৰ্বেসৰ্বা সাংবিধানিক পদত বহা লোক এজনে অগ্ৰজ লোক এগৰাৰীক এনে অমাৰ্জিত শব্দৰে সমালোচনা কৰা কাৰ্যক ৰাজ্যৰ গৰিষ্ঠ সংখ্যক লোকে কটু সমালোচনা কৰিছে৷ শিৱসাগৰৰ বিধায়ক তথা ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে মুখ্যমন্ত্ৰীৰ মুখত হীৰেন গোহাঁইৰ দৰে জ্যেষ্ঠ ব্যক্তি সম্পৰ্কত আগবঢ়োৱা এনে মন্তব্য অতি দুৰ্ভাগ্যজনক বুলি কয়৷ মুখ্যমন্ত্ৰীৰ আচৰণ ছেঙেলীয়া হোষ্টেলত পঢ়া ল'ৰাৰ দৰে হৈ থকা বুলি কৈ অখিল গগৈয়ে কয় যে আমাৰ মুখ্যমন্ত্ৰীজনে শিষ্টাচাৰ নাজানে। অখিল গগৈয়ে কয় 'ডঃ হীৰেন গোহাঁই এগৰাকী বৰেণ্য অসমীয়া৷ ডুপ্লিকেট 'মাল' বুলি যিটো শব্দ ব্যৱহাৰ কৰিলে সিটোৱে শ্লীলতাৰ সকলো সীমা পৰা কৰি গৈছে৷ সভ্য সমাজক অপমান কৰিছে৷ এয়া ডঃ হীৰেন গোহাঁইক কৰা অপমান নহয়৷ এয়া সমগ্ৰ অসমীয়া জাতিক কৰা অপমান৷ ডঃ হীৰেন গোহাঁইক যিখন অসমীয়াই ডুপ্লিকেট মাল বুলি ক'ব পাৰে, তেওঁ অসমীয়া হোৱাৰ যোগ্য নহয়৷ তেওঁ মানুহ হোৱাৰে যোগ্য নহয়৷ তেওঁ মুখ্যমন্ত্ৰী হোৱাৰেই যোগ্য নহয়৷ এইটো দুৰ্ভাগ্যজনক কথা যে হীৰেন গোহাঁইৰ দৰে এজন বিদগ্ধ পণ্ডিত, সৰ্বকালৰ শ্ৰেষ্ঠ অসমীয়া বুদ্ধিজীৱিক যদি এজন মুখ্যমন্ত্ৰীয়ে অসংযত, অশ্লীল, অভব্য মন্তব্য প্ৰদান কৰে, আমি বুজিবলৈ বাকী নাই যে সেইজন মুখ্যমন্ত্ৰীৰ নেতৃত্বত জাতিটোৰ ভাল পৰিৱৰ্তন নহয়৷ মুখ্যমন্ত্ৰীয়ে সাধাৰণ এগৰাকী লোককো সন্মান সহকাৰে কথা ক'ব লাগে৷ এই আচৰণৰ দ্বাৰা প্ৰমাণিত হয় যে অসমৰ মুখ্যমন্ত্ৰীজন এজন অসংস্কৃত ব্যক্তি, সাংস্কৃতিক জ্ঞান নাই৷ অসংস্কৃতিবান মানুহক জ্যোতিপ্ৰসাদ আগৰৱালাই 'দুষ্কৃতি' বুলি কৈছিল৷ দুষ্কৃতিকাৰী ভাল মুখ্যমন্ত্ৰী হ'ব নোৱাৰে৷ জাতিৰ বাবে সৰ্বোচ্ছ ত্যাগ কৰা মানুহক এনে অভব্য আচৰণ কৰা, মানুহক অভব্য আচৰণ কৰাটো দুৰ্ভাগ্যজনক৷ মুখ্যমন্ত্ৰীয়ে এনে বক্তব্য উঠাই লওক৷ আৰু যাতে পাগলামি অসমৰ মুখ্যমন্ত্ৰীয়ে নকৰে৷ আমাৰ মুখ্যমন্ত্ৰীৰ ভাষা ৰাস্তাৰ গুণ্ডাৰ ভাষাৰ দৰে হ'ব নালাগে৷ এয়া শোভা নাপায়৷ অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে ডঃ গোহাঁইৰ দৰে প্ৰজ্ঞাৰ সাধকক 'ডুপ্লিকেট মাল' বুলি উপলুঙা কৰা কাৰ্যই মুখ্যমন্ত্ৰীৰ স্থুল মানসিকতাক উদঙাই দিছে বুলি কয়৷ লুৰীণজ্যোতি গগৈয়ে এনে তৰল নিম্নৰুচিৰ, ভাৰতীয় তথা অসমীয়া সংস্কৃতিৰ পৰিপন্থী বক্তব্যই মুখ্যমন্ত্ৰীৰ বৰ্ণবাদী চৰিত্ৰৰ বহিঃপ্ৰকাশ ঘটাইছে বুলিও কয়৷ মুখ্যমন্ত্ৰীগৰাকীৰ এনে উৰুলিপুঙা আচৰণক অসমীয়া সমাজখনে নিন্দা কৰা উচিত বুলিও কয় লুৰীণে৷ আনহাতে কণ কণ শিশুসকলে কি শিকিব বুলি মুখ্যমন্ত্ৰীক প্ৰশ্ন কৰি লুৰীণজ্যোতি গগৈয়ে কয় যে এনেকুৱা নিম্নৰুচিৰ বেয়া কথা-বতৰা, অসংস্কৃতিবান কথা-বতৰা মানুহে শিকিব৷ গতিকে এই কথাৰ আমি বিৰোধিতা কৰিছো৷ এই কথা গ্ৰহণীয় কোনো কাৰণতে নহয়৷ আনহাতে মুখ্যমন্ত্ৰীয়ে বিভিন্ন সময়ত বিভিন্নজনক এনে অপমান কৰি আহিছে সেই কথা উল্লেখ কৰি লুৰীণজ্যোতি গগৈয়ে কয় "তেওঁ যে এনেদৰে বাৰে বাৰে ডঃ হীৰেন গোহাঁই, বিষয়াক আক্ৰমণ কৰিছে৷ হীৰেন গোহাঁইৰ দৰে পণ্ডিতপ্ৰবৰ ব্যক্তিসকলক, উদয়াদিত্য ভৰালীৰ দৰে নিজৰ শিক্ষক, শিক্ষক সমাজক এনেদৰে অপমান কৰিছে৷ ইয়াৰ মূল কথা বেলেগ৷ যিসকলে নিজৰ স্থিতিত দৃঢ় হৈ থাকে, কেতিয়াও আপোচ নকৰে, যিসকলে কেতিয়াও বিক্ৰী নহয়, যিসকল সংগ্ৰামী আৰু বিপ্লৱী মানুহ, যিসকলে সমাজ-দেশৰ বাবে কাম কৰে, যিসকলে যুক্তিৰে সাংবিধানিকভাৱে কথা কয় সেইসকলৰ ব্যক্তিত্ব আৰু চিন্তাক ম্লান কৰিবলৈ ইচ্ছাকৃতভাৱে অপমান কৰে মুখ্যমন্ত্ৰীয়ে৷ কিন্তু মুখ্যমন্ত্ৰীৰ সেই ইচ্ছা কোনো কাৰণতে পূৰণ নহয়।" মুখ্যমন্ত্ৰীৰ এনে মন্তব্যক ওভতি ধৰিছে ৰাজ্যৰ প্ৰধান বিৰোধী দল কংগ্ৰেছে৷ প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ উপাধ্যক্ষ বেদব্ৰত বৰাই সামাজিক মাধ্যমত দিয়া এটা পোষ্টত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক দিকভ্ৰান্ত হৈ পৰা বুলি কটাক্ষ কৰে৷ বেদব্ৰত বৰাই মুখ্যমন্ত্ৰীক শুদ্ধ পথলৈ আহিবৰ বাবে আৰাম কৰাৰ দৰকাৰ আছে বুলিও কয়৷ এনে তৰল মন্তব্যৰে মুখ্যমন্ত্ৰীয়ে অসমৰ বুদ্ধিজীৱিসকলক চৰম অপমান কৰিছে৷ নতুন প্ৰজন্মৰ লোকসকলেও অসমৰ শিক্ষাৰ বাটকটীয়াসকলক এনেদৰে অপমান কৰিব লাগে বুলি এতিয়া যদি শিক্ষা আহৰণ কৰে তাৰ বাবে জগৰীয়া কোন হ'ব? মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ক্ষমতাৰ ৰাগীত মতলীয়া হৈ পৰা বাবেই এনে আচৰণ কৰাা বুলিও কয় কংগ্ৰেছ নেতা বেদব্ৰত বৰাই৷

## বিৰোধীৰ বিৰোধিতাক সম্পূৰ্ণৰূপে আওকাণ

# পঞ্চমবাৰৰ বাবে বাংলাদেশৰ প্ৰধানমন্ত্ৰীৰূপে হাছিনাৰ শপত গ্ৰহণ



**ঢাকা, ১২ জানুৱাৰীঃ** সদ্য ঘোষিত ৰাষ্ট্ৰীয় সংসদ নিৰ্বাচনত একক সংখ্যাগৰিষ্ঠতাৰে সাব্যস্ত কৰা বৃহৎ বিজয়ৰ পিছত বৃহস্পতিবাৰে পঞ্চমবাৰৰ বাবে বাংলাদেশৰ প্ৰধানমন্ত্ৰীৰূপে শপত গ্ৰহণ কৰিলে শ্বেখ হাছিনাই। বৃহস্পতিবাৰে সন্ধিয়া ৭ বজাত অনুষ্ঠিত শপত গ্ৰহণ অনুষ্ঠানত শ্বেখ হাছিনাক প্ৰধানমন্ত্ৰীৰ শপত বাক্য পাঠ কৰোৱায় ৰাষ্ট্ৰপতি মোহম্মদ চাহাবুদ্দিনে। আনহাতে একেটা শপত গ্ৰহণ অনুষ্ঠান প্ৰধানমন্ত্ৰীৰ পিছতে শপত লয় অন্যান্য মন্ত্ৰী আৰু ৰাজ্যিক মন্ত্ৰীসকলেও। এই শপতগ্ৰহণ অনুষ্ঠানত চৰকাৰী বিষয়া, ব্যৱসায়ী, কূটনীতিবিদ, নাগৰিক সমাজৰ প্ৰতিনিধি আৰু আমন্ত্ৰিত অতিথিসকল উপস্থিত থাকে। উল্লেখ্য যে, ১৯৯৬ চনত প্ৰথমবাৰৰ বাবে সংসদ নিৰ্বাচনত জয় সাব্যস্ত কৰি প্ৰধানমন্ত্ৰী হৈছিল শ্বেখ হাছিনা। তাৰ পিছত ২০০৮, ২০১৪ আৰু ২০১৮ চনত একেৰাহে তিনিবাৰকৈ প্ৰধানমন্ত্ৰী হোৱাৰ পিছত ৭ জানুৱাৰীত ঘোষিত বাংলাদেশৰ দ্বাদশ ৰাষ্ট্ৰীয় সংসদ নিৰ্বাচনৰ ফলাফলতো ২৯৯ খন আসনৰ ভিতৰত ২২২ খনেই লাভ কৰি বৃহৎ বিজয় সাব্যস্ত কৰে শ্বেখ হাছিনাৰ আৱামী লীগে। এই জয়ৰ পিছতে ১০ জানুৱাৰীত সংসদৰ নতুন সদস্যই শপত গ্ৰহণ কৰে আৰু আৱামী লীগৰ সংসদ সদস্যসকলে সৰ্বসন্মতিক্ৰমে দলৰ সভাপতি প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাক তেওঁলোকৰ সংসদীয় দলৰ নেত্ৰী হিচাপে নিৰ্বাচিত কৰে। ইয়াৰ পিছতে বুধবাৰে বিয়লি শ্বেখ হাছিনাক সংসদ সদস্যৰ আস্থাভাজন হিচাপে নিযুক্তি দি ৰাষ্ট্ৰপতি মোঃ চাহাবুদ্দিনে তেওঁক নতুন চৰকাৰ গঠনৰ বাবে আমন্ত্ৰণ জনায়। পৰৱৰ্তী সময়ত প্ৰধানমন্ত্ৰীয়ে নিজৰ মন্ত্ৰীসভা গঠন কৰি বুধবাৰে সন্ধিয়া মন্ত্ৰীসকলৰ তালিকাৰ সৈতে ৰাষ্ট্ৰপতিগৰাকীক সাক্ষাৎ কৰে। প্ৰধানমন্ত্ৰীয়ে গঠন কৰা কেবিনেটত ৰাষ্ট্ৰপতিয়ে সন্মতি প্ৰদান কৰাৰ পিছত কেবিনেটৰ তালিকাখন কেবিনেট বিভাগলৈ প্ৰেৰণ কৰা হয়। বুধবাৰে নিশা সচিবালয়ত অনুষ্ঠিত এক ব্ৰিফিঙত কেবিনেট বিভাগৰ সচিব মহবুব হোছেইনে তালিকাত থকা ২৫জন মন্ত্ৰী আৰু ১১জন ৰাজ্যিক মন্ত্ৰীৰ নাম প্ৰকাশ কৰে৷ মন কৰিবলগীয়া যে, যোৱা ৭ জানুৱাৰীত বাংলাদেশৰ দ্বাদশ ৰাষ্ট্ৰীয় সংসদ নিৰ্বাচন অনুষ্ঠিত হৈছিল। আৱামী লীগ, জাতীয় পাৰ্টিকে ধৰি ২৮টা ৰাজনৈতিক দলে এই নিৰ্বাচনত অংশগ্ৰহণ কৰে। ইফালে বাংলাদেশৰ মূল বিৰোধী দল বিএনপি আৰু ইয়াৰ মিত্ৰ দলসমূহে নিৰ্বাচনত অংশগ্ৰহণ কৰাৰ পৰা বিৰত থাকে। শ্বেখ হাছিনাৰ পদত্যাগ আৰু নিৰপেক্ষ চৰকাৰৰ অধীনত নিৰ্বাচন অনুষ্ঠিত কৰাৰ দাবীত আন্দোলন অব্যাহত ৰাখিছে বিৰোধী দলসমূহে। অন্যহাতে নিৰ্বাচনত ৩০০ সমষ্টিৰ ভিতৰত ২৯৯টা সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হয়। ইয়াৰ ভিতৰত অপ্ৰীতিকৰ পৰিস্থিতিৰ বাবে এখন আসনৰ ফলাফল পিছুৱাই দিয়া হৈছে। বাকী ২৯৮টা সমষ্টিৰ ফলাফল ঘোষণা কৰে নিৰ্বাচন আয়োগে। ইয়াৰে ২২২খন আসন লাভ কৰিছে আৱামী লীগে। জাতীয় পাৰ্টিয়ে ১১খন আসনত জয়লাভ কৰাৰ বিপৰীতে বাকী ৬৫ খন আসনৰ ভিতৰত ৬২ খন আসনত জয়লাভ কৰিছে নিৰ্দলীয় প্ৰাৰ্থীয়ে।



## ১৭,৮৪০ কোটি টকাৰে নিৰ্মাণ ২১.৮ কিঃমিঃ দৈৰ্ঘ্যৰ দলং

# দেশৰ দীৰ্ঘতম সাগৰীয় দলং উদ্বোধন প্ৰধানমন্ত্ৰী মোদীৰ

**মুম্বাই, ১২ জানুৱাৰীঃ** আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বোধন কৰে দেশৰ ভিতৰতে দীৰ্ঘতম সাগৰীয় দলংখন। প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ নামেৰে 'অটল সেতু' হিচাপে নামাকৰণ কৰা মুম্বাইৰ ছেৱৰী আৰু ৰায়গড় জিলাৰ নহভা শ্বেভা সংযোগী এই সাগৰীয় দলংখনৰ দৈৰ্ঘ্য হৈছে ২১.৮ কিলোমিটাৰ। ২০১৬ চনত প্ৰধানমন্ত্ৰী মোদীয়ে আধাৰশিলা স্থাপন কৰা দলংখনৰ ব্যয় খৰছ আছিল ১৭,৮৪০ কোটি টকা। দেশৰ আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত এক ঐতিহাসিক মাইলৰ খুঁটি হিচাপে পৰিগণিত হোৱা এই দলংখন যাত্ৰীৰ বাবে মুকলি কৰাৰ পিছত মুম্বাইৰ ছেৱৰী আৰু ৰায়গড়ৰ নহভা শ্বেভাৰ মাজৰ দূৰত্ব পূৰ্বৰ ২ ঘণ্টাৰ পৰা প্ৰায় ১৫-২০ মিনিটলৈ হ্ৰাস পাব। দলংখনৰ নিৰ্মাণ সন্দৰ্ভত এমএমআৰডিএৰ মহানগৰ আয়ুক্ত ডঃ সঞ্জয় মুখাৰ্জীয়ে কয়, “অটল সেতু- মুম্বাই ট্ৰেন্স হাৰ্বাৰ লিংক হৈছে ভাৰতৰ সমুদ্ৰত নিৰ্মিত আটাইতকৈ দীঘল দলং। এই দলংখন নিৰ্মাণত এনে বহু প্ৰযুক্তি ব্যৱহাৰ কৰা হৈছে, যিবোৰ প্ৰথমবাৰৰ বাবে ভাৰতত ব্যৱহাৰ কৰা হৈছে। এই দলঙত ব্যৱহৃত পোহৰে জলজ পৰিৱেশৰ কোনো ক্ষতি নকৰে।” ইফালে এই দলংখনত চলাচল কৰা চাৰিচকীয়া বাহনৰ সৰ্বোচ্চ গতি সীমা প্ৰতি ঘণ্টাত ১০০ কিলোমিটাৰ নিৰ্ধাৰণ কৰা হৈছে। দলংখনৰ পৰা নামি অহাৰ সময়ত বাহনৰ গতি ঘণ্টাত ৪০ কিলোমিটাৰ নিৰ্ধাৰণ কৰা হৈছে। অৱশ্যে মুম্বাই ট্ৰেন্স হাৰ্বাৰ লিংকত চলাচলৰ অনুমতি দিয়া হোৱা নাই মটৰ চাইকেল, অটোৰিক্সা, ট্ৰেক্টৰ অথবা অন্য কম গতিৰ বাহনৰ। দলংখন মুকলি কৰি মোদীয়ে কয় যে এনেধৰণৰ কথা ১০ বছৰ আগতে ভাবিবই পৰা নাছিল।

# পাকিস্তানৰ কাৰাগাৰত হাফিজ ছঈদৰ ঘনিষ্ঠৰ মৃত্যু

**ইছলামাবাদ, ১২ জানুৱাৰীঃ** পাকিস্তানত পুনৰ ভাৰতৰ আন এজন শত্ৰুৰ সন্দেহজনক অৱস্থাত মৃত্যু হৈছে। ২৬/১১ মুম্বাই আক্ৰমণৰ মাষ্টাৰমাইণ্ড হাফিজ ছৈদৰ ঘনিষ্ঠ হাফিজ ছৈদৰ ডেপুটি হাফিজ আব্দুল ছালাম ভুট্টাভিৰ হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু হোৱাৰ খবৰ প্ৰকাশ পাইছে। হাফিজ আব্দুল ছালাম ভুট্টাভিৰ পাকিস্তান চৰকাৰৰ জিম্মাত হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু হোৱা বুলি ৰাষ্ট্ৰসংঘয়ো নিশ্চিত কৰিছে। ৰাষ্ট্ৰসংঘই নিশ্চিত কৰি কয় যে ৭৩ বছৰীয়া ভুট্টাভি সন্ত্ৰাসবাদীৰ বিত্তীয় গোচৰত দোষী সাব্যস্ত হোৱাত ৭৮ বছৰৰ কাৰাদণ্ড ভোগ কৰি আছিল। ভুট্টাভি ২০২০ চনৰ ১২ ফেব্ৰুৱাৰীৰ পৰা সাতটা সন্ত্ৰাসবাদী বিত্তীয় গোচৰত দোষী সাব্যস্ত হোৱাৰ পাছত পাকিস্তান চৰকাৰৰ জিম্মাত আছিল। হাফিজ আব্দুল ছালাম ভুট্টাভি হাফিজ ছৈদৰ বাবে অতি গুৰুত্বপূৰ্ণ ব্যক্তি আছিল। লস্কৰ-ই-তৈবাৰ দৈনন্দিন অভিযান পৰিচালনা কৰাৰ লগতে ভুট্টাভি লস্কৰ-ই-তৈবাৰ চেমিনেৰী নেটৱৰ্ক গঠন আৰু সংগঠনত স্বতন্ত্ৰভাৱে সিদ্ধান্ত লৈছিল। হাফিজ ছৈদক যেতিয়াই গ্ৰেপ্তাৰ কৰা হৈছিল তেতিয়াই হাফিজ আব্দুল ছালাম ভুট্টাভিক কাৰ্যকৰী মুৰব্বী নিয়োগ কৰা হৈছিল। ২০০৮ চনত মুম্বাই আক্ৰমণৰ বাবে সন্ত্ৰাসবাদীক সাজু কৰিছিল ভুট্টাভিয়ে। মুম্বাই আক্ৰমণত ১৫০ তকৈও অধিক লোক নিহত হৈছিল। ২০০৮ চনৰ মুম্বাই আক্ৰমণৰ পাছতে হাফিজ ছৈদক জিম্মাত লৈছিল। তেতিয়াও ভুট্টাভিয়ে সংগঠনৰ দায়িত্ব গ্ৰহণ কৰিছিল। ভুট্টাভিয়ে সংগঠন চলোৱাৰ লগতে ফতোৱা জাৰি কৰিছিল। ভাৰতে দীঘদীন ধৰি হাফিজ আব্দুল ছালাম ভুট্টাভিৰ পাকিস্তানৰ পৰা প্ৰত্যাৰ্পণ দাবী কৰি আহিছিল।

# নাগালেণ্ডত জনসংখ্যা বাঢ়িছে প্ৰায় ৩ লাখ ৯০ হাজাৰ!

**ক'হিমা, ১২ জানুৱাৰীঃ** নাগালেণ্ডত জিলা অনুসৰি জনসংখ্যা লোকপিয়লৰ বিশ্লেষণ কৰিছে ৰাজ্যখনৰ অৰ্থনীতি আৰু পৰিসংখ্যা সঞ্চালকালয়ে। জিলা অনুসৰি কৰা এই লোকপিয়লত ২০১১ চনৰ লোকপিয়লতকৈ জনসংখ্যা বৃদ্ধিৰ অনুমান কৰা হৈছে। ২০১১ চনৰ লোকপিয়ল অনুসৰি নাগালেণ্ডৰ জনসংখ্যা আছিল ১৯,৭৮,৫০২ জন। ২০৩০ চনৰ ভিতৰত নাগালেণ্ডৰ জনসংখ্যা ২৩,৬৭,০০০ লৈ বৃদ্ধি হ'ব বুলি অনুমান কৰা হৈছে। ২০১১ চনৰ পাছত নাগালেণ্ডত প্ৰায় ৩ লাখ ৯০ হাজাৰ জনসংখ্যা বৃদ্ধিৰ অনুমান কৰা হৈছে। নাগালেণ্ডত ২০১১ চনৰ লোকপিয়লৰ পাছৰে পৰা জিলা অনুসৰি জনসংখ্যা উপলব্ধ নাছিল। ৰাজ্যখনৰ অৰ্থনীতি আৰু পৰিসংখ্যা সঞ্চালকালয়ে ২০২১ চনৰ পৰা ২০৩০ চনলৈ ৩.৮৮ লাখতকৈ অধিক জনসংখ্যা বৃদ্ধিৰ আনুমানিক জনসংখ্যা লোকপিয়ল উলিয়াইছে। ২০১১ চনৰ লোকপিয়ল অনুসৰি কহিমা জিলাত ২,৬৭,৯৮৮, ডিমাপুৰ জিলাত ৩,৭৮,৮১১, ফেক জিলাত ১,৬৩,৪১৮, পেৰেন জিলাত ৯৫,২১৯, মকোকচুং জিলাত ১,৯৪,৬২২, ৱোখা জিলাত ১,৬৬,৩৪৩, জুনহেবোটো জিলাত ১,৪০,৭৫৭, টুয়েনচাং জিলাত ১,৯৫,৫৯৬, কিফিৰে জিলাত ৭৪,০০৪, লংলেং জিলাত ৫০,৪৮৪ আৰু মন জিলাত ২,৫০,২০৬ জন জনসংখ্যা আছিল। ভাৰতৰ সৰু ৰাজ্যসমূহৰ ভিতৰৰ এখন তথা উত্তৰ-পূৰ্বাঞ্চলৰ সৰু ৰাজ্য নাগালেণ্ডত জনসংখ্যা বৃদ্ধি পোৱাৰ অনুমান এক ভাল খবৰ হিচাপে বিবেচিত হৈছে। তথ্য প্ৰযুক্তি আৰু যোগাযোগ, মূল্যাঙ্কন আৰু অৰ্থনীতি আৰু পৰিসংখ্যা উপদেষ্টাৰ দ্বাৰা প্ৰকাশিত প্ৰক্ষেপণ অনুসৰি ৰাজ্যৰ জনসংখ্যা ২০৩০ চনৰ ভিতৰত ১৯,৭৮,৫০২ৰ পৰা ২৩,৬৭,০০০ লৈ বৃদ্ধি হ'বা ৩,৮৮,৪৯৮ জনসংখ্যা বৃদ্ধি হ'ব। অৰ্থনীতি আৰু পৰিসংখ্যা সঞ্চালকালয় চমুকৈ ডিইএছে কয় যে ৰাজ্যখনৰ পুৰণি-নতুন জিলাৰ বাসস্থান, অধিকাৰ ক্ষেত্ৰ অনুসৰি জনসংখ্যাৰ ওপৰত আধাৰিত কৰি ২০১১ চনৰ লোকপিয়লৰ জনসংখ্যা বিশ্লেষণ কৰাৰ প্ৰয়াস কৰা হৈছে। অৰ্থনীতি আৰু পৰিসংখ্যা সঞ্চালকালয়ৰ সঞ্চালক নেইদিলহৌ আংগামীয়ে কয় যে উন্নয়নৰ উদ্দেশ্যে জিলা অনুসৰি জনসংখ্যাৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা আছে। পুঁজি বিতৰণ-আৱণ্টন, উন্নয়নৰ পৰিকল্পনা, নীতি প্ৰণয়ন, সমাজ কল্যাণৰ আঁচনি ৰূপায়ণৰ বাবে এই বিশ্লেষণ জৰুৰী। পথ, বিদ্যুৎ, চিকিৎসালয়, শিক্ষা আদিৰ দৰে আন্তঃগাঁথনিৰ বিকাশৰ বাবেও এয়া জৰুৰী বুলি কয় অৰ্থনীতি আৰু পৰিসংখ্যা বিভাগে। জিলাৰ জনসংখ্যাই আঁচনি আৱণ্টনৰ বাবে গ্ৰহণ কৰিবলগা ন্যায়সংগত নীতিৰ বাবে এক মৌলিক ধাৰণা প্ৰদান কৰে বুলিও কয় নেইদিলহৌ আংগামীয়ে। উল্লেখ্য যে ২০১১ চনৰ লোকপিয়লৰ পিছত দেশত কভিডৰ বাবে পৰৱৰ্তী পিয়ল সম্পন্ন হোৱা নাছিল।

# জনপ্ৰিয় মঞ্চ অভিনেতা নিতুমনি কলিতাৰ দেহাৱসান



**ই-সংবাদ তেজপুৰ, ১২ জানুৱাৰীঃ** টেটোন তামুলী নাটকত মহামন্ত্ৰীৰ চৰিত্ৰত অভিনয় কৰি দৰ্শকৰ মন জয় কৰা সুদক্ষ মঞ্চ অভিনেতা নিতুমনি কলিতাৰ আজি দেহাৱসান ঘটে৷ উচ্চ ৰক্তচাপজনিত ৰোগত আক্ৰান্ত হৈ মৃত্যু হয় নিতুমনি কলিতাৰ৷ গুৱাহাটীত চিকিৎসাধীন অৱস্থাত মৃত্যুক আকোৱালি লয়৷ তেজপুৰৰ বাসিন্দা নিতুমনি কলিতা তেজপুৰৰ ঐতিহ্যমণ্ডিত বাণ থিয়েটাৰৰ তত্ত্বাৱধায়ক আছিল৷ ১১ বছৰে বাণ থিয়েটাৰৰ শিশু নাট কৰ্মশালাৰ মূল দায়িত্বত আছিল৷ মঞ্চ নাটকত বলিষ্ঠ অভিনয় কৰাৰ উপৰিও বহু কেইখন চুটি ছবি আৰু দূৰদৰ্শনৰ ধাৰাবাহিক পৰিচালনা কৰিছিল৷ এগৰাকী আলোক শিল্পীয়ো আছিল কলিতা৷ প্ৰতিভাৱান শিল্পী নিতুমনি কলিতাৰ বিয়োগত বাণ থিয়েটাৰৰ বিষয়-ববীয়াসকলৰ লগত ৰাজ্যবাসীয়ে গভীৰ শোক প্ৰকাশ কৰিছে৷

# নিৰ্বাচন আয়োগৰ ৱেবছাইটৰ পৰা বহু তথ্য নাইকিয়া হোৱা বুলি অভিযোগ প্ৰদেশ কংগ্ৰেছৰ

**ই-সংবাদ, ১২ জানুৱাৰীঃ** অসম প্ৰদেশ কংগ্ৰেছৰ উপ-সভানেত্ৰী ববিতা শৰ্মাই আজি ৰাজীৱ ভৱনত এখন সংবাদমেল অনুষ্ঠিত কৰি নিৰ্বাচন আয়োগ নিৰ্বাচনী ফলাফলৰ তথ্য লুকুৱাবলৈ প্ৰয়াস কৰাৰ অভিযোগ উত্থাপন কৰে। ২০২১ চনৰ অসম বিধানসভা নিৰ্বাচনৰ ফলাফলসমূহৰ তথ্যৰ কথা উল্লেখ কৰি ববিতা শৰ্মাই কয় যে ৱেব ছাইটত ভোট গ্ৰহণ কেন্দ্ৰৰ নম্বৰ আৰু নাম দুয়োটাই উল্লেখ থকাটো জৰুৰী৷ তেনে স্থলত আয়োগে ৱেব ছাইটত ৰাজনৈতিক দল, প্ৰাৰ্থীৰ নাম উল্লেখ নকৰাকৈ কেৱল ভোট গ্ৰহণ কেন্দ্ৰৰ নম্বৰটোহে উল্লেখ কৰিছে। অন্যান্য ৰাজ্যৰ নিৰ্বাচনী ৱেব ছাইটত ৰাজ্যসমূহৰ নিৰ্বাচনৰ ফলাফলৰ ক্ষেত্ৰতো একেধৰণৰ বিসংগতি দেখা যায়। কেৰেলা (২০২১), গোৱা (২০২২), পঞ্জাব (২০২২) আৰু কৰ্ণাটক (২০২৩) আদি ৰাজ্যসমূহৰ ক্ষেত্ৰতো নিৰ্বাচন আয়োগে কেৱল ভোটগ্ৰহণ কেন্দ্ৰৰ নম্বৰ আৰু প্ৰাৰ্থীৰ নামসমূহ উল্লেখ কৰি ৰাজনৈতিক দলৰ নাম আৰু ভোটগ্ৰহণ কেন্দ্ৰৰ নামসমূহ বিলুপ্ত কৰিছে। এই ক্ষেত্ৰত ২০২১ চনলৈকে নিৰ্বাচনৰ ফলাফলৰ প্ৰ-পত্ৰ ২০ত ভোটগ্ৰহণ কেন্দ্ৰৰ নাম, নম্বৰসহ প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থীৰ লগতে ৰাজনৈতিক দলৰ নাম উল্লেখ কৰা দেখা গৈছিল। আশ্চৰ্যকজনকভাৱে শেহতীয়াকৈ ভাৰতৰ নিৰ্বাচন আয়োগে এই ব্যৱস্থা বন্ধ কৰিছে আৰু যাৰ কাৰণে নিৰ্বাচনী ফলাফলসমূহত ভোটগ্ৰহণ কেন্দ্ৰৰ নাম আৰু নিৰ্বাচনত অংশগ্ৰহণ কৰা প্ৰাৰ্থীৰ ৰাজনৈতিক দলৰ নামসমূহ দেখা পোৱা নাযায়। কাৰ স্বাৰ্থত জনসাধাৰণৰ পৰা এই তথ্যসমূহ লুকাব বিচৰা হৈছে বুলি প্ৰশ্ন কৰে ববিতা শৰ্মাই৷ কোন শক্তিয়ে নিৰ্বাচনত অংশগ্ৰহণ কৰা প্ৰাৰ্থীসকলৰ ৰাজনৈতিক দলৰ নাম বিলুপ্ত কৰিবলৈ বাধ্য কৰিছে বুলিও প্ৰশ্ন কৰে শৰ্মাই৷ বিৰোধী দলসমূহে তথ্য সমূহ উলিয়াই বিশ্লেষণ কৰাৰ ভয়তে তথ্য লুকুওৱাৰ প্ৰয়াস কৰা বুলি কয় শৰ্মাই৷ এবাৰ যদি এই তথ্যসমূহ বিলুপ্ত হয় তেন্তে নিৰ্দিষ্ট ভোট কেন্দ্ৰৰ ওপৰত বিশ্লেষণ প্ৰায় অসম্ভৱ হৈ পৰে। সকলোবোৰ প্ৰশ্নৰ উত্তৰ বিচাৰি ভাৰতৰ নিৰ্বাচন আয়োগলৈ অসমৰ জনসাধাৰণৰ হৈ লিখিত দাবী চনদ প্ৰেৰণ কৰা হ'ব বুলিও উল্লেখ কৰে প্ৰদেশ কংগ্ৰেছে। নিৰ্বাচনী ফলাফলৰ তথ্যসমূহত ভোট কেন্দ্ৰৰ নামসমূহৰ লগতে প্ৰাৰ্থীৰ ৰাজনৈতিক দলৰ নামসমূহ উল্লেখ কৰাৰ দাবী উত্থাপন কৰে ববিতা শৰ্মাই৷ এপিচিচিৰ মিডিয়া বিভাগৰ উপাধ্যক্ষ বেদব্ৰত বৰা, গৱেষণা বিভাগৰ অধ্যক্ষ নেত্ৰৰঞ্জন চৌধুৰী উপস্থিত থাকে সংবাদমেলত।

# ভোগালীৰ উছাহ, চন্দ্ৰযানৰ আৰ্হিত ওদালগুৰিত বিশেষ ভেলাঘৰ




**ই-সংবাদ, ওদালগুৰি, ১২ জানুৱাৰীঃ** বিগত বৰ্ষত চন্দ্ৰৰ বুকুত অৱতৰণ কৰি দেশবাসীক গৌৰৱান্বিত কৰা চন্দ্ৰযান-৩ এতিয়া ভোগালী বিহুৰ বিষয়বস্তু হৈ পৰিছে। ওদালগুৰি চহৰৰ মাজমজিয়াৰ ৩ নম্বৰ ৱাৰ্ডৰ নিজৰাপাৰাৰ অগ্ৰসৰ যুৱ সমাজৰ ভোগালী বিহুৰ আকৰ্ষণ হৈ পৰিল সুউচ্চ চন্দ্ৰযান-৩ৰ আৰ্হিৰ ভেলাঘৰ। বিগত বৰ্ষবোৰত বিভিন্ন আৰ্হিৰ ভেলাঘৰ সাজি উলিওৱা অঞ্চলবাসীয়ে এইবাৰ চন্দ্ৰযানৰ আৰ্হিৰ ভেলাঘৰ নিৰ্মাণ কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে। অঞ্চলটোৰ যুৱকসকলৰ পৰা আৰম্ভ কৰি বয়োজ্যেষ্ঠসকলৰ প্ৰচেষ্টাত এই ভেলাঘৰটো সাজি উলিওৱা হৈছে। ইয়াৰ জৰিয়তে অঞ্চলবাসীয়ে ভাৰতবাসীক এনে গৌৰৱৰ মুহূৰ্ত দিয়াৰ বাবে ভাৰতীয় মহাকাশ গৱেষণা সংস্থা চমুকৈ ইছৰোক শুভেচ্ছা জ্ঞাপন কৰে। কেৱল এয়াই নহয়, উক্ত ভেলাঘৰটোৰ সমান্তৰালভাৱে অঞ্চলবাসীয়ে সমীপতে আন এটি চাংঘৰ সদৃশ ভেলাঘৰ নিৰ্মাণ কৰিছে। যিটো ভেলাঘৰত অঞ্চলবাসীয়ে উৰুকাৰ নিশা লগে ভাগে এসাজ খাব বুলি উল্লেখ কৰে। ইয়াৰোপৰি অতীতৰ পৰা চলি অহা পৰম্পৰাক মানি অঞ্চলবাসীয়ে পহিলা মাঘৰ দিনটোত ভেলাঘৰৰ বাকৰিত আয়োজন কৰিছে পৰম্পৰাগত খেল-ধেমালি। কনী ভঙাৰ পৰা আৰম্ভ কৰি কলগছ বগোৱা ইত্যাদি খেল অনুষ্ঠিত কৰি অঞ্চলটোৰ ৰাইজে আনন্দত মতলীয়া হ'ব। ইফালে ওদালগুৰিৰ বিভিন্ন প্ৰান্তত ভোগালীক লৈ ব্যাপক উচাহ পৰিলক্ষিত হৈছে। গাঁৱৰ জীয়ৰি-বোৱাৰীয়ে পিঠাপনা প্ৰস্তুত কৰাত ব্যস্ত থকাৰ সমান্তৰালভাৱে গাঁৱৰ ডেকা-বুঢ়াসকলে ভিন্ন আকৃতিৰ মেজি নিৰ্মাণ কৰাৰ লগতে উৰুকাৰ নিশা ভোজভাতৰ আয়োজনত ব্যস্ত হৈ পৰা পৰিলক্ষিত হৈছে।

# গোলাঘাটৰ ভিন্ন প্ৰান্তত চোৰৰ তাণ্ডৱ

**ই-সংবাদ, গোলাঘাট, ১২ জানুৱাৰীঃ** প্ৰতিটো পৰিয়াল মাঘ বিহুক লৈ ব্যস্ত থকাৰ সময়তে গোলাঘাটৰ ঢেকীয়াল আৰু গণকপুখুৰীত চোৰে তাণ্ডৱ চলোৱাত চাঞ্চল্যৰ সৃষ্টি হৈছে৷ ১১ জানুৱাৰীৰ নিশা দুটা পৰিয়ালত চোৰে চাফাই অভিযান চলায়৷ চোৰে লুটি নিয়ে কেইবা লক্ষাধিক টকাৰ সোণৰ আ-অলংকাৰ আৰু নগদ টকা। ঢেকীয়ালৰ দিলোমণি দত্ত আৰু গণকপুখুৰীৰ গকুল বৰদলৈৰ বাসগৃহৰ পৰা লক্ষাধিক টকাৰ সা-সম্পত্তি লুটি নিৰ্বিঘ্নে আতৰি যায় চোৰ। গণকপুখুৰীৰ গকুল বৰদলৈৰ বাসগৃহত চোৰৰ দল প্ৰৱেশৰ দৃশ্য চিচিটিভিত বন্দী হৈছে৷ প্ৰায় এসপ্তাহ ধৰি গোলাঘাটৰ বহুকেইটা অঞ্চলত গৃহস্থ নথকাৰ সুযোগ লৈ চোৰে তাণ্ডৱ চলাই গৈছে৷ আৰক্ষীৰ নাকৰ তলতেই চোৰে এই কাণ্ড সংঘটিত কৰি গৈছে৷ বৰ্তমানলৈ চোৰক ধৰিবলৈ সক্ষম হোৱা নাই আৰক্ষী। চোৰৰ উপদ্ৰৱ বৃদ্ধি পোৱাত আতংকিত হৈ পৰিছে ৰাইজ৷

## কোকৰাঝাৰত বিজেপি-ইউপিপিএলৰ যৌথ বৈঠক

# বিপিএফ দলক ম্যাদ উকলা মাল আখ্যা মন্ত্ৰী অশোক সিংঘালৰ




**ই-সংবাদ, কোকৰাঝাৰ, ১২ জানুৱাৰীঃ** কোকৰাঝাৰ লোকসভা সমষ্টিত মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ বিজয় নিশ্চিত কৰিবলৈ ইউপিপিএল আৰু বিজেপিয়ে ৰণকৌশল আৰম্ভ কৰিছে। ইয়াৰে পৰিপ্ৰেক্ষিতত আজি বড়োফা সাংস্কৃতিক প্ৰকল্পত বিজেপি আৰু ইউ পি পি এল মিত্ৰজোঁটৰ জিলা পৰ্যায়ৰ যুটীয়া বৈঠক সম্পন্ন হয়। উক্ত বৈঠকত কোকৰাঝাৰৰ অভিভাৱক মন্ত্ৰী অশোক সিংহল, বিটিচিৰ মুখ্য কাৰ্যবাহী তথা ইউ পি পি এলৰ মূৰব্বী প্ৰমোদ বড়ো, মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, বিধায়ক লৰেন্স ইছলাৰী, বিধায়ক জিৰণ বসুমতাৰী, বিটিচিৰ কাৰ্যবাহী সদস্য ক্ৰমে অৰূপ কুমাৰ দে, ৰেওৰেওৱা নাৰ্জিহাৰী, জিলা বিজেপিৰ সভানেত্ৰী, সম্পাদক আদিকে ধৰি দুয়োদলৰ জ্যেষ্ঠ নেতা-কৰ্মীসকল উপস্থিত থাকে। উক্ত বৈঠকত কোকৰাঝাৰ লোকসভা সমষ্টিত মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ বিজয় সুনিশ্চিত কৰাৰ বাবে ৰণকৌশল তৈয়াৰ কৰাৰ লগতে দুয়োদলৰ মতানৈক্য দুৰ কৰি মিত্ৰতা অধিক সুদৃঢ় কৰিবলৈ গুৰুত্ব আৰোপ কৰা হয়। ইয়াৰোপৰি দুয়োদলৰ কাৰ্যকৰ্তাই বিহুৰ পিছতে প্ৰতিজন ভোটাৰৰ কাষত অৰ্থাৎ "ঘৰ ঘৰ অভিযান"ৰ সিদ্ধান্ত গ্ৰহণ কৰে। জিলা পৰ্যায়ৰ পৰা বুথ পৰ্যায়লৈ প্ৰচাৰ দহদিনৰ ভিতৰতে সম্পন্ন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি কোকৰাঝাৰ লোকসভা সমষ্টিত মিত্ৰজোঁটৰ প্ৰাৰ্থীক কমেও দুইলাখ ভোটৰ ব্যৱধানত জয়যুক্ত কৰিবলৈ বিজেপি আৰু ইউপিপিএলৰ নেতৃবৰ্গই সিদ্ধান্ত গ্ৰহণ কৰে। ইপিনে বিজেপি-ইউপিপিএলৰ জিলা পৰ্যায়ৰ যুটীয়া বৈঠক সম্পন্ন হোৱাৰ পিছতে কোকৰাঝাৰৰ অভিভাৱক মন্ত্ৰী অশোক সিংহলে কয় যে এইবেলি কোকৰাঝাৰ লোকসভা সমষ্টিত দুই লাখ ভোটৰ ব্যৱধানত মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ী হ'ব। দুয়োদলৰ মাজত কোনো মতানৈক্য নাই আৰু দুয়োদলৰ কাৰ্যকৰ্তাই সন্তুষ্ট বুলি উল্লেখ কৰি মন্ত্ৰী সিংহলে কোকৰাঝাৰ লোকসভা সমষ্টিত এইবাৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ সতে কোনোও প্ৰতিদ্বন্দ্বিতাতে নাহিব বুলি মন্তব্য কৰিছে। ইপিনে সাংবাদিকৰ এক প্ৰশ্নোত্তোৰত মন্ত্ৰী অশোক সিংহলে কয়, 'বিপিএফ-কংগ্ৰেছেও দোকান দিব। এইবোৰ দোকানত কোনো কাষ্টমাৰ নাযায়। বিপিএফ হ'ল ম্যাদ উকলা মাল। কোকৰাঝাৰত শান্তি, নিৰাপত্তা অব্যাহত ৰাখিবৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকে পুনৰাই সকলোৱে ভোট দিব। মোডীজিৰ গেৰাণ্টিৰ ওপৰত সকলোৰে আস্থা আছে, সকলোৱে বিশ্বাস কৰে মোডীক আৰু সেয়েহে সকলোৱে মোদীজিৰ হকেই ভোট দিব।' মন্ত্ৰী সিংহলে বিহুৰ পিছতে ভোটাৰৰ ঘৰে ঘৰে গৈ মিত্ৰজোঁটৰ কাৰ্যকৰ্তাসকলে ভোটাৰক সাক্ষাৎ কৰিব বুলি সদৰি কৰিছে। সভাৰ অন্তত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে কয় যে কাৰ্যত নিৰ্বাচনী যুঁজ সফল কৰাৰ বাবে আজিৰে পৰা কাম কৰিব মিত্ৰজোঁটে। দেশে তৃতীয়বাৰৰ বাবে নৰেন্দ্ৰ মোডীক প্ৰধানমন্ত্ৰীৰ পদত অধিষ্ঠিত কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী, মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বতে বিটিআৰত এতিয়া পৰিবৰ্তন আৰু শান্তি আহিছে। সকলো জাতি -জনগোষ্ঠীয়ে নিৰাপত্তা পাইছে। সকলোৱে উৎফুল্লিত হৈছে, উৎসাহিত হৈছে। পূৰ্বৰ চৰকাৰৰ দিনত সকলোৱে ভয়ে ভয়ে থাকিব লগা হৈছিল। আজিৰ সভা সম্পূৰ্ণ সফল হোৱা বুলি দাবী কৰিছে বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে। যৌথ বৈঠকৰ পিছতে মন্ত্ৰী অশোক সিংহলৰ উপস্থিতিত বড়োফা সাংস্কৃতিক প্ৰকল্পৰ প্ৰেক্ষাগৃহতে বিজেপি দলৰ এক যোগদান সভা অনুষ্ঠিত হয় য'ত বিপিএফকে ধৰি আন দলৰ প্ৰায় দুই সহস্ৰাধিক কৰ্মীয়ে বিজেপিত আনুষ্ঠানিকভাৱে যোগদান কৰে। আনহাতে ছালাকাটি ঈদগাহ ময়দানতো আজি বিয়লি বিটিচি প্ৰধান প্ৰমোদ বড়ো, মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম আৰু বিধায়ক লৰেন্স ইছলাৰীৰ উপস্থিতিত ইউপিপিএলৰ এক যোগদান সভা অনুষ্ঠিত হয় য'ত বিভিন্ন দলৰ পৰা প্ৰায় ১৫০০ ৰো অধিক লোকে আনুষ্ঠানিকভাৱে ইউপিপিএল দলত যোগদান কৰে। সভাৰ অন্তত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই কয় যে বিপিএফৰ প্ৰতি মোহভংগ হৈছে বাবে ৰাইজে ইউপিপিএলত যোগদান কৰিছে।

শেষ পৃষ্ঠা

# অসমৰ বিৰুদ্ধে কেৰালাৰ শক্তিশালী আৰম্ভণি

**গুৱাহাটী, ১২ জানুৱাৰীঃ** ৰঞ্জি ট্ৰফিৰ এলাইট গ্ৰুপ বি এখন খেলত আজি কেৰালাই অসমৰ বিৰুদ্ধে শক্তিশালী আৰম্ভণি কৰে। ইয়াৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হোৱা চাৰিদিনীয়া মেছখনত টচত জয়ীহৈ অসমৰ অধিনায়ক ৰিয়ান পৰাগে আলহী দলটোক বেটিঙৰ বাবে আমন্ত্ৰণ জনাই। ৰিয়ানৰ সিদ্ধান্ত ভুল প্ৰমাণিত কৰে কেৰালাৰ প্ৰাৰম্ভিক বেটাৰদ্বয় ৰোহন কুনুম্মা আৰু কৃষণ প্ৰসাদে। তেওঁলোকে প্ৰাৰম্ভিক যুটিত ৩১ অভাৰত ১৩৩ ৰান সংগ্ৰহ কৰে। ৰোহনে অধিনায়কোচিত ৮০ ৰানৰ বৰঙণি যোগোৱাৰ পিছত সিদ্ধাৰ্থ শৰ্মাৰ বলত আউট হয়। ঘন কুঁৱলী আৰু কম পোহৰৰ বাবে আজিৰ দিনটোত কেৱল ৩৭ অভাৰৰ খেল হয়। দিনান্তত কেৰালাই এটা উইকেট হেৰুৱাই ১৪১ ৰান সংগ্ৰহ কৰে। কৃষণ প্ৰসাদ (৫২) আৰু ৰোমান প্ৰেম (৪) অপৰাজিত হৈ আছে। উল্লেখ্য যে অসমে ইয়াৰ আগৰখন খেলত ছত্তীছগড়ৰ বিৰুদ্ধে দহ উইকেটত পৰাস্ত হৈছিল। পৰৱৰ্তী ৰাউণ্ডলৈ আগবঢ়াৰ বাবে এই মেছখন অসমৰ বাবে সুবেই গুৰুত্বপূৰ্ণ। কিন্তু কেৰালাৰ এনে আৰম্ভণিয়ে অসম দলক চিন্তাত পেলাইছে।



■ সুদূৰ ফ্ৰান্সতো এতিয়া শীত!



■ জানুৱাৰীৰ পবিতৰা! কেবাটাও আন্তঃৰাষ্ট্ৰীয় সংবাদ প্ৰতিষ্ঠানৰ ৱেবছাইটত প্ৰকাশ পোৱা বিশেষ ফটোখন...

# ঘনিষ্ঠ! স্বামী-স্ত্ৰীৰ সম্পৰ্কক লৈ বিশেষ ৰায় ন্যায়ালয়ৰ

**অনলাইন ফিচাৰ্ছ, ১২ জানুৱাৰীঃ** স্বামীৰ সৈতে শাৰীৰিক সম্পৰ্ক স্থাপন কৰিবলৈ অস্বীকাৰ কৰাটো এক প্ৰকাৰৰ আৱেগিক নিষ্ঠুৰতা। এক আবেদনৰ শুনানিৰ সময়ত এই মন্তব্য কৰিছে মধ্যপ্ৰদেশ উচ্চ ন্যায়ালয়ে। আবেদনকাৰীৰ বিবাহ বিচ্ছেদ আবেদনৰ শুনানি গ্ৰহণ কৰি আদালতে কয় যে কোনো বিশেষ কাৰণ নোহোৱাকৈ স্বামীৰ সৈতে সম্পৰ্ক স্থাপন কৰিবলৈ অনিচ্ছা ব্যক্ত কৰাটো মানসিক নিষ্ঠুৰতাৰ সমান। কেৱল এই কাৰণক লৈয়ে স্বামীয়ে বিবাহ বিচ্ছেদ বিচাৰিবও পাৰে বুলি গুৰুত্বপূৰ্ণ মন্তব্য কৰে উচ্চ ন্যায়ালয়ে। দৰাচলতে শাৰীৰিক সম্পৰ্কৰ প্ৰতি উদাসীনতা দেখুৱাই পত্নীয়ে মানসিক হাৰাশাস্তি চলোৱাৰ অভিযোগ তুলি ২০১৪ চনত বিবাহ বিচ্ছেদ বিচাৰি পাৰিবাৰিক আদালতত গোচৰ ৰুজু কৰিছিল এগৰাকী ব্যক্তিয়ে। কিন্তু পাৰিবাৰিক আদালতে এই আবেদন খাৰিজ কৰাৰ পিছতে সেই ৰায়ক প্ৰত্যাহ্বান জনায় উচ্চ ন্যায়ালয়ৰ দাৰস্থ হয় ব্যক্তিজন। ব্যক্তিজনে আবেদনত উল্লেখ কৰা মতে, ২০০৬ চনত তেওঁলোকৰ বিবাহ সম্পন্ন হৈছিল। কিন্তু বিবাহৰ পিছতে একেটা বছৰৰ ১২ জুলাইৰ পৰা ২৮ জুলাইলৈ পত্নীয়ে স্বামীৰ সৈতে শাৰীৰিক সম্পৰ্ক স্থাপন কৰিবলৈ অস্বীকাৰ কৰে। পত্নীৰ এনে আচৰণৰ বিৰুদ্ধে বিবাহ বিচ্ছেদ বিচাৰি স্বামী পাৰিবাৰিক আদালতত আবেদন দাখিল কৰে। কিন্তু আদালতে এই আবেদন নাকচ কৰি কয় যে বৈবাহিক সম্পৰ্কত যদি পত্নীয়ে শাৰীৰিকভাৱে অন্তৰংগ হ'ব নিবিচাৰে তেন্তে সেয়া আৱেগিক নিষ্ঠুৰতা নহয় আৰু এই ভিত্তিত বিবাহ বিচ্ছেদ বিচাৰিব নোৱাৰি। কিন্তু পাৰিবাৰিক আদালতৰ ৰায়ক প্ৰত্যাহ্বান জনাই উচ্চ ন্যায়ালয়ত দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি উচ্চ ন্যায়ালয়ে কয়, 'আবেদনকাৰীয়ে (স্বামীয়ে) বিবাহৰ সকলো আনুষ্ঠানিকতা মানি চলিছে। তেওঁ বৈবাহিক সম্পৰ্কৰ বিষয়ে আশাবাদী আছিল। কিন্তু তেওঁৰ পত্নীয়ে তেওঁৰ কথাত একমত নহ'ল। আবেদনকাৰীয়ে দিয়া কাৰণটো মানসিক নিষ্ঠুৰতাৰ সমান হ'ব লাগিব।" উচ্চ ন্যায়ালয়ে আৰু কয় যে বৈবাহিক সম্পৰ্কত মানসিক নিষ্ঠুৰতা কি সেয়া নিৰ্ণয় কৰিবলৈ কোনো 'ষ্ট্ৰেইটজেকেট ফৰ্মুলা' নাই। মানসিক নিষ্ঠুৰতা কাক কয় বা কাক নকয় সেয়া নিৰ্ণয় কৰিবলৈ কোনো নিৰ্দিষ্ট মাপকাঠীও নাই। গতিকে ইয়াৰ সৈতে জড়িত প্ৰতিটো গোচৰৰ বিচাৰৰ বাবে তথ্যৰ প্ৰয়োজন। এনে এটা গোচৰৰ মূল্যায়ন কেৱল তথ্যৰ ভিত্তিত কৰিব পাৰি। ইয়াৰ পিছত উচ্চ ন্যায়ালয়ে বিবাহ বিচ্ছেদৰ অনুমতি প্ৰদান কৰে।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান